'সাদিন', ৩০ নৱেম্বৰ, ২০০৭

# কেইটামান থলুৱা একক

'...চাওঁতে চাওঁতে জোখবোৰ সলনি হ'ল। কড়া, ক্ৰান্তি, গণ্ডা, পাই অচল হ'ল। সৰুকালত কড়িৰে বয়বস্তু বেচা-কিনা কৰিছিলো...'

—নৈ বৈ যায় (লীলা গগৈ)

সময়ৰ লগে লগে বহুতো বস্তুৱেই অচল হৈ পৰে। আন্তঃৰ্জাতিক মানৰ লগত সংগতিপূৰ্ণ কৰিবলৈ বুলি পৃথিৱীৰ প্ৰায়বোৰ দেশতেই বৰ্তমান এছ. আই. (ST) এককসমূহ ব্যৱহাৰ কৰিব ধৰা হৈছে। এনে পৰিস্থিতিত আমাৰ সমাজত প্ৰচলিত বহুতো জোখ-মাখৰ একক অপ্ৰচলিত বা ব্যৱহাৰ সীমিত হৈ পৰিছে। এনে কেইটামান প্ৰচলিত-অপ্ৰচলিত জোখ-মাখৰ এককৰ বিষয়ে তলত চমুকৈ উল্লেখ কৰিলো—

## সময়ৰ একক ঃ



**অনুপল ঃ** এক অনুপলক এছ. আই. এককত প্ৰকাশ কৰিলে ইয়াত সময়ৰ পৰিমাণ হ'ব ০.৪ চেকেণ্ড।

**পল ঃ** ষাঠি অনুপলে এপল, অৰ্থাৎ ২৪ চেকেণ্ড।

**ক্ষণ ঃ** এক অনুপলৰ সমান সময়ে এক ক্ষণ।

**নিমিষ ঃ** এক অনুপল বা এক ক্ষণ কাল, অৰ্থাৎ ০.৪ চেকেণ্ড।


**ডাঁৰ ঃ** ষাঠি পলৰ সমষ্টিয়ে এডাৰ, অৰ্থাৎ ২৪ মিনিট সময়।

**পৰ ঃ** এদিন-এৰাতিৰ আঠভাগৰ এভাগ অথবা এদিন বা এৰাতিৰ চাৰিভাগৰ এভাগ কালকেই এপৰ বোলা হয়। এপৰত প্ৰায় ৩ ঘণ্টা সময়।

**যুগ ঃ** বাৰ বছৰৰ সমষ্টিয়ে এযুগ। কিন্তু হিন্দু ধৰ্মশাস্ত্ৰসমূহত যি চাৰিটা যুগৰ উল্লেখ আছে, সেইসমূহত সময়ৰ পৰিমাণ তলত দিয়াধৰণৰ—

সত্যযুগ ঃ ১৭,২৮,০০০ বছৰ।
ত্ৰেতাযুগ ঃ ১২,৯৬,১০০ বছৰ।
দ্বাপৰযুগ ঃ ৮,৬৪,০০০ বছৰ।
কলিযুগ ঃ ৪,৩২,০০০ বছৰ।

## ভৰৰ একক ঃ



**অনা ঃ** এছ. আই. এককত এক অনাত ভৰ প্ৰায় ০.৭৩ গ্ৰাম। ই এতোলাৰ ষোলভাগৰ এভাগ।

**তোলা ঃ** ষোল অনা বা এটকাৰ সমান ভৰ। ই এছ. আই. এককত প্ৰায় ১১.৬৫ গ্ৰাম।

**টকা ঃ** পূৰ্বে ভাৰতবৰ্ষত প্ৰচলিত এটকীয়া সোণ বা ৰূপৰ মুদ্ৰাত থকা সোণ বা ৰূপৰ ভৰৰ সমান ভৰৰ ধাতু বা পদাৰ্থক কোৱা হয় এটকা। ই ষোল অনা বা এতোলাৰ সমান, অৰ্থাৎ প্ৰায় ১১.৬৫ গ্ৰাম।

**মহা ঃ** এতোলা বা এটকাৰ চাৰিভাগৰ এভাগ বা চাৰি অনাৰ সমান ভৰেই হৈছে এমহা। এছ. আই. এককত এই ভৰ হ'ব প্ৰায় ২.৯ গ্ৰাম।

**ৰতি বা ৰাতি ঃ** এক অনাৰ ছভাগৰ এভাগ ভৰ, অৰ্থাৎ প্ৰায় ০.১২ গ্ৰাম। এই ভৰ এটা লাতুৰ মণিৰ ভৰৰ সমান।

**ভৰি ঃ** এতোলা বা এটকাৰ সমান ভৰ হৈছে এভৰি।

**ছৰতীয়া ঃ** ছয় ৰতীয়া, অৰ্থাৎ ছয় ৰতিৰ সমান গধুৰ ভৰেই হৈছে ছৰতীয়া। এই পৰিমাণ প্ৰায় ০.৭২ গ্ৰামৰ সমান। পূৰ্বে এই একে নামৰে মুদ্ৰা এবিধৰো প্ৰচলন আছিল।

**আদমহা ঃ** আদ (আধা)+মহা, অৰ্থাৎ ই আধা মহা বা বাৰ ৰতিৰ সমান ভৰ। ই তোলা, টকা বা ভৰিৰ আঠভাগৰ এভাগ। এই ভৰ এছ. আই. এককত প্ৰায় ১.৪৪ গ্ৰাম। এই একে নামৰ মুদ্ৰা এবিধৰো প্ৰচলন আগেয়ে আছিল।

**সেৰ ঃ** আশী তোলা বা চাৰি পোৱাৰ সমান ভৰেই হৈছে এসেৰ। ইয়াৰ এছ. আই. ভৰ প্ৰায় ০.৯৩৩ কিল'গ্ৰাম।

**মোন ঃ** চল্লিশ সেৰ ভৰ লগ হৈ হয় এমোন। এই ওজন প্ৰায় ৩৭.৩২ কিলোগ্ৰামৰ সমান।

**কঠা ঃ** মাটিৰ জোখৰ উপৰি ধান-চাউলৰ এটা জোখকো কঠা বোলা হয়। একঠা শস্যৰ ভৰ প্ৰায় ৫০০ গ্ৰাম।

**পুৰা ঃ** ভৰৰ এক এককৰূপে আৰু কালিৰ এককৰূপে পুৰা ব্যৱহাৰ হয়। ভৰৰ ক্ষেত্ৰত এপুৰাই উজনি অসমত তিনি দোণ শস্য আৰু কামৰূপ জিলাত চাৰি দোণ শস্যক বুজায়।

**দোণ ঃ** দোণ এবিধ বাঁহৰ কাঠীৰে সজা পাত্ৰ। ইয়াত প্ৰায় দহ কঠা বা ৫ কিলোগ্ৰাম শস্য ধৰে। সাধাৰণতে ধান হ'লে ইয়াত চাৰে তিনিসেৰ (৩.২৫ কিঃগ্ৰাম) আৰু মাহ-চাউল আদিৰ পাঁচসেৰ (৪.৬৫ কিঃগ্ৰাঃ) আঁটে।

**বেছি ঃ** এই জোখটোও সচৰাচৰ ব্যৱহাৰ কৰা হয় শস্যৰ জোখ ল'বলৈ। এক বেছিত শস্যৰ পৰিমাণ ২০ দোণ, অৰ্থাৎ ১০০ কিলোগ্ৰাম বা এক কুইণ্টল।

**লাতুৰমণি ঃ** লাতুৰমণি হৈছে এবিধ লতাৰ সৰু গুটি। এই গুটিৰ গাটো ৰঙা আৰু মূৰটো ক'লা। সেয়েহে বোধহয় ই ৰাতুলমণি, অৰ্থাৎ ৰঙামণিৰ অপভ্ৰংশ-ৰূপে লাতুৰমণি নাম পালে। এনে একোটা গুটিৰ ওজন প্ৰায় এৰতি হোৱা বাবে সোণাৰীসকলে ইয়াক দগাৰূপে ব্যৱহাৰ কৰে। এনে গুটিৰ ছটাৰে এক অনা আৰু ৯৬টাৰে এতোলা ভৰ হয়।

## দীঘৰ একক ঃ

**আঙুল ঃ** এটা আঙুলিৰ সমান বহল, অৰ্থাৎ এটা আঙুলিৰ পথালিৰ সমান দৈৰ্ঘ্যক এক আঙুল বোলা হয়।

**গিৰা ঃ** তিনি আঙুলৰ সমান দৈৰ্ঘ্য বা এগজৰ ষোল ভাগৰ এভাগৰ সমান দীঘক এক গিৰা বুলি কোৱা হয়। এই দীঘ গড়ে প্ৰায় ৫.৭ চেঃমিঃ।

**জুলৈ ঃ** এখন হাতৰ আঙুলি বহলাই মেলিলে তাৰ বুঢ়া-আঙুলি আৰু তৰ্জনী আঙুলিৰ মাজৰ দৈৰ্ঘ্যৰ সমান দীঘকে এক জুলৈ বোলা হয়।

**বেগেত ঃ** হাতৰ তলুৱা বহলকৈ মেলি বুঢ়া আৰু মধ্যমা আঙুলিৰ মাজৰ দূৰত্বৰ সমান দৈৰ্ঘ্যই হৈছে এক বেগেত। প্ৰাপ্তঃবয়স্ক লোকৰ (মুনিহৰ) এবেগেতৰ গড় জোখ হয় প্ৰায় ন ইঞ্চি।

**হাত ঃ** এখন হাতৰ কিলাকুটিৰ পৰা মধ্যম আঙুলিৰ আগলৈ দীঘল জোখক এহাত দীঘল বোলা হয়। এই জোখ গড়ে প্ৰায় দুবেগেত বা আধাগজ (১৮ ইঞ্চি) দীঘল।

**মুঠন ঃ** মুঠন শব্দৰ উৎপত্তি 'মুঠি'ৰ পৰা। কিলাকুটিৰ পৰা মুঠি বন্ধা হাতৰ কেঞা আঙুলিৰ গাঁঠিলৈ এমুঠন দীঘল বোলা হয়। এই জোখ এহাততকৈ প্ৰায় চাৰি আঙুল কম বা প্ৰায় দুই জুলৈৰ সমান।

**গজ ঃ** দুহাত বা চাৰি বেগেত দৈৰ্ঘ্যৰে হয় এগজ। ই প্ৰায় তিনি ফুটৰ সমান।

**বেও ঃ** প্ৰায় আঠ হাত বা চাৰি গজৰ সমান দীঘে হয় এবেও। ইয়াত দীঘ ১২ ফুট।

**টাঁৰ ঃ** এটাঁৰত আঠহাত বা এবেওৰ সমান দৈৰ্ঘ্য। মিটাৰত প্ৰকাশ কৰিলে এই জোখ প্ৰায় ৩.৬৬ মিটাৰ হয়। এই একে দীঘৰ মাটি জোখা ডাঁৰকো টাঁৰ বোলা হয়।

**কাঠী ঃ** কাঠী হৈছে দুহাত দীঘল জোখ বা সেই একে জোখৰ এডাল মাৰি। তাঁতৰ বাটি কাঢ়োতে ইয়াৰে কাপোৰৰ দীঘল-বহল জোখ ঠিক কৰে।

## কালিৰ একক ঃ

**কঠা ঃ** মাটিকালিৰ জোখৰ ক্ষেত্ৰতো 'কঠা' ব্যৱহাৰ হয়। একঠাই ২,৮৮০ বৰ্গফুট পৰিমাণৰ মাটিকালিৰ জোখক বুজায়।

**বিঘা ঃ** এবিঘা মাটিত পাঁচ কঠা। এছ. আই. এককত এই পৰিমাণ ১৪,৪০০ বৰ্গফুট।

**হালিচা ঃ** 'হাল' শব্দৰ পৰা উদ্ভৱ হৈছে হালিচা শব্দৰ; অৰ্থাৎ এহাল গৰুৰে এবাৰত চহাব পৰা মাটিৰ পৰিমাণ। এহালিচা মাটি এবিঘাৰ সমান।

**লেচা বা লোচা ঃ** একঠাৰ ২০ ভাগৰ এভাগ বা এবিঘাৰ ১০০ ভাগৰ এভাগ মাটিক এক লেচা বা লোচা বোলা হয়। এই জোখ দীঘে-পথালিয়ে এটাঁৰ বা মুঠ এক বৰ্গ টাঁৰৰ সমান। এছ. আই. এককত এই জোখ ১৪৪ বৰ্গফুট।



**দোণ ঃ** এহালিচা, এবিঘা বা পাঁচ কঠা মাটিৰ পৰিমাণৰ মাটিক এদোণ বোলা হয়।

**পুৰা ঃ** এপুৰা মাটিত চাৰি হালিচা বা চাৰি বিঘা, বা চাৰি দোণ মাটি। অৰ্থাৎ এই পৰিমাণ হৈছে ৫৭,৬০০ বৰ্গফুটৰ সমান।

## মুদ্ৰাৰ একক ঃ

**কড়ি ঃ** কড়ি হৈছে এবিধ সাগৰীয়, সৰু বগা শামুকৰ খোলা। আগতে আমাৰ দেশৰ লগতে পৃথিৱীৰ বিভিন্ন ঠাইত কিনা-কটা মাধ্যমৰূপে কড়ি ব্যৱহৃত হৈছিল। এটা কড়িৰ মূল্যক কোৱা হয় 'কড়া'।

**ফুটা কড়ি ঃ** আজিকালি ফুটা নোট নচলাৰ দৰে কড়িবোৰতো ফুটা ওলালে সেইবোৰ অচল হৈ পৰিছিল। সেয়ে ফুটা কড়িবোৰ হৈছে অচল বা মূল্যহীন কড়ি। ইয়াৰ পৰাই উদ্ভৱ হৈছে 'জেপত ফুটা কড়িও নথকা' খণ্ডবাক্যৰ।

**ক্ৰান্তি ঃ** একড়াৰ তিনিভাগৰ এভাগ মূল্যই হৈছে ক্ৰান্তি। ইয়াৰ পৰা উদ্ভৱ হৈছে ধনৰ সৰ্বনিম্ন পৰিমাণ বুজোৱা 'কড়া-ক্ৰান্তি' শব্দৰ। যেনে ঃ কড়া ক্ৰান্তিৰ হিচাপ।

**কাওণ ঃ** ষোল পোণ বা ১২৮০টা কড়িৰে হয় এক কাওণ। এই পৰিমাণৰ মূল্য বৰ্তমানৰ এটকাৰ মূল্যৰ সমান।

**পাই ঃ** এপাইত এপইচাৰ তিনিভাগৰ এভাগৰ সমান মূল্য। একালত এই মূল্যৰ তামৰ মুদ্ৰাৰ প্ৰচলন আছিল।

**আধলি ঃ** আধলি হৈছে এটকাৰ আধা মূল্য বা আঠ অনা মূল্যৰ মুদ্ৰা।

**অনা ঃ** ই হৈছে আগৰ কালত প্ৰচলিত চাৰি পইচা মূল্যৰ সোণ বা ৰূপৰ মুদ্ৰা। এই মুদ্ৰাৰ ভৰ আছিল ছয় ৰতি বা এতোলাৰ ষোল ভাগৰ এভাগৰ সমানে; অৰ্থাৎ এক অনা ভৰৰ সমান।

**সিকি ঃ** সিকি হৈছে পূৰ্বৰ চাৰি অনা মূল্যৰ বা ২৫ পইচাৰ মুদ্ৰা। এই মুদ্ৰাত থকা ধাতুৰ ভৰ আছিল এমহাৰ সমান। এসিকিৰ মূল্যক কোৱা হয় 'সিকিটীয়া'।

**ছৰতীয়া ঃ** ভৰৰ এককৰ উপৰি ছৰতীয়া বুলি এবিধ ৰূপৰ মোহৰৰ প্ৰচলন এসময়ত আছিল। ইয়াৰ মূল্য আছিল এক অনা। এনে মুদ্ৰাত থকা ধাতুৰ ভৰ আছিল ছয় ৰতি, যাৰবাবেই ই নাম পালে ছৰতীয়া।

**আদমহা ঃ** ই হৈছে এটকাৰ আঠভাগৰ এভাগ বা দুঅনা মূল্যৰ সোণ বা ৰূপৰ মোহৰ। এনে মুদ্ৰাৰ ভৰ আছিল বাৰ ৰতি বা আধামহা।

## থূপ বা গোটৰ একক ঃ

**অঁৰা ঃ** সাধাৰণতে এঅঁৰাত চাৰিটা সৰু বস্তুৰ লেখক বুজোৱা হয়। কিন্তু চোমপতীয়া মুগা পলু বা লেটাৰ ক্ষেত্ৰত পাঁচোটাৰে এঅঁৰা হয়।

(*চোমপতীয়া মুগা হৈছে চোমগছৰ পাত খাই জীয়াই থকা মুগা পলু।)

**গণ্ডা ঃ** কোনো বস্তুৰ চাৰিটাৰ থূপ বা গোটক একেলগে এগণ্ডা বোলা হয়।

**পোণ ঃ** কোনো বস্তুৰ কুৰি গণ্ডা বা আশীটাই হয় এপোণ। সাধাৰণতে ফলৰ ক্ষেত্ৰতহে (যেনে ঃ তামোল) এই একক ব্যৱহৃত হয়।

**কাওণ ঃ** ষোল পোণ ফল বা ১২৮০টা ফলে এক কাওণৰ সমান হয়।

**গুচি ঃ** এই একক ব্যৱহাৰ হয় পাণৰ হিচাপ ল'বলৈ। কুৰিখিলা পাণৰ আটিক কোৱা হয় এক গুচি।

**মুঠা ঃ** এইটোও পাণৰেই এক হিচাপ। এমুঠা পাণত মুঠতে কুৰি গুচি বা ৪০০ খিলা পাণ থাকে।

এইখিনিতে এটা কথা ওপৰুৱাকৈ জানি থ'ব পাৰি যে এখন তামোল খাবৰ জোখাৰে তামোল মেৰিওৱা এখিলা বা আদখিলা পাণক কোৱা হয় বিৰা।

## পৰিমাণ বুজোৱা জোখ ঃ

ওপৰৰ এককসমূহৰ উপৰি আন বহুতো এনে জোখ আছে যাক কোনো স্থিৰ বা নিৰ্দিষ্ট পৰিমাণত প্ৰকাশ কৰিব নোৱাৰি। এনেবোৰ জোখত পদাৰ্থৰ পৰিমাণ ভিন্ ভিন্ হ'ব পাৰে। এনে জোখৰ কেতবোৰ উদাহৰণ হৈছে— একঁকাল, এখামোচ, এখৰাহী, এপাচি, একাঁঠু, এবুকু ইত্যাদি। সেয়ে এনেধৰণৰ মাত্ৰ দুটামান জোখৰ বিষয়েহে উনুকিয়ালো—

**জেৰা ঃ** বুঢ়া আঙুলি, তৰ্জনী আঙুলি আৰু মধ্যমা আঙুলিৰে চেপি তুলিব পৰা গুৰিবস্তুৰ পৰিমাণক কোৱা হয় জেৰা। যেনে— এজেৰা লোণ।

**পোহা ঃ** এখন মেলা হাতৰ তলুৱাৰ খোলাত ল'ব পৰা বস্তুৰ পৰিমাণক পোহা বোলা হয়।

এই জোখ সাধাৰণতে গোটা বস্তুৰ ক্ষেত্ৰত ব্যৱহাৰ হয়, যেনে— এপোহা মাহ-চাউল।

**চলু ঃ** এই জোখ ব্যৱহাৰ হয় মূলতঃ পানীৰ ক্ষেত্ৰত। এখন মেলা হাতৰ তলুৱাৰ খোলত ল'ব পৰা পানীক এচলু বোলা হয়।

**আঁজলি ঃ** আঁজলি শব্দৰ মূল সংস্কৃতৰ 'অঞ্জলি'। দুয়োখন হাতৰ তলুৱা লগ কৰি কৰা খোলেৰে এখোল পৰিমাণক কোৱা হয় একাঁজলি। ইয়াক গোটা আৰু জুলীয়া উভয় পদাৰ্থৰ ক্ষেত্ৰতেই ব্যৱহাৰ কৰা হয়। যেনে— একাঁজলি ফুল, লাজাঞ্জলি নাইবা একাঁজলি পানী ইত্যাদি।



ওপৰত উল্লিখিত এককসমূহে আমাৰ সমাজৰ আটাইবোৰ হিচাপ-নিকাচৰ জোখক নিশ্চয় সামৰি ল'ব পৰা নাই। আৰু বহুতো একক হয়তো বাদ পৰি গৈছে। এই এককসমূহ আমাৰ সংস্কৃতিৰ এক অমূল্য সম্পদ আৰু গুৰুত্বপূৰ্ণ অংগ। আমি যদি দৈনন্দিন জীৱনত ছেগ বুজি এই জোখসমূহৰ ব্যৱহাৰ কৰিবলৈ লওঁ, তেন্তে আমাৰ এই যতনে এই এককসমূহক পাহৰণিৰ গৰাহৰ পৰা ৰক্ষা কৰিব।■

*ভিত্তি পুথি ঃ হেমকোষ, চন্দ্ৰকান্ত অভিধান, আধুনিক অসমীয়া অভিধান।*

পৰাগ কুমাৰ ডেকা
কেঁকোৰাপুল, তেজপুৰ